জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩২৪/২০২১

# কাতি বিহু উপলক্ষে অসমবাসীলৈ মুখ্যমন্ত্ৰীৰ শুভেচ্ছা

**দিছপুৰ, ১৭ অক্টোবৰ ঃ** কাতি বিহু উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমবাসী বিশেষকৈ ৰাজ্যখনৰ কৃষক সমাজক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে কাতি বিহুৰ পৱিত্ৰ চাকিৰ পোহৰে অসূয়া, অশান্তি আঁতৰাই সমাজক আলোকৰ পথেৰে অগ্ৰসৰ হ'বলৈ প্ৰেৰণা যোগায়। কৃষি ভিত্তিক এই উৎসৱ পালনৰ জৰিয়তে অসমৰ শস্য শ্যামলা পথাৰসমূহ সোণ গুটিৰে উপচি পৰি ৰাজ্যখনৰ কৃষক সমাজক কৰ্মৰ পথাৰত আৰু অধিক উদ্যমেৰে আগবাঢ়ি যাবলৈ অনুপ্ৰাণিত কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে এই বিহু পালনৰ জৰিয়তে আমাৰ মাজত থকা শান্তি-সম্প্ৰীতি আৰু ভাতৃত্বৰ এনাজৰি অধিক সুদৃঢ় হ'ব বুলিও আশা প্ৰকাশ কৰে। বৃহত্তৰ অসমীয়া জাতিৰ সাংস্কৃতিক জীৱনধাৰাক উজ্জীৱিত কৰা এই কাতি বিহু উদ্‌যাপনৰ জৰিয়তে ৰাজ্যখনক আৰু অধিক বিকাশৰ তথা উত্তৰণৰ যাত্ৰাৰে অগ্ৰসৰ হোৱাৰ বাবে প্ৰেৰণা যোগাব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

**বঃভাঃ**
**১৭-১০-২০২১**